بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم   نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡم   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১৭ মাৰ্চত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - কয় যে আজিৰ খোতবাত যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰা হব তেখেতৰ নাম হল হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)। পুৰুষানুক্ৰমে হজৰত তালহা (ৰাঃ)ৰ সাত পুৰুষ অতীত গৈ বংশ তালিকাত মোৰাহ বিন কাআবৰ ওচৰত গৈ আঁহজৰত (ছাঃ)ৰ বংশৰ লগত মিলি যায়। আৰু চতুৰ্থ পুৰুষতকৈ হজৰত হজৰত আবু বক্কৰ (ৰাঃ)ৰ লগত সংযোগ হৈ যায়। এখেত (ৰাঃ)ৰ পিতৃ উবায়দুল্লাহ ইছলাম যুগ পোৱা নাছিল কিন্তু মাতৃয়ে দীঘলীয়া জীৱন লাভ কৰিছিল যাৰ ফলত আঁহজৰত (ছাঃ)ৰ ওপৰত ঈমান স্থাপন কৰি চাহাবীয়া হোৱাৰ মৰ্যাদা লাভ কৰিছিল। হিজৰতৰ আগতেই তাই ইছলাম গ্ৰহন কৰিছিল। হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰা নাছিল যদিও ৰছুলুল্লাহ (ছাঃ)য়ে এখেতক বদৰৰ যুদ্ধলব্ধ সামগ্ৰী (মালে গণিমতৰ) ভাগ দিছিল।

হজৰত তালহা (ৰাঃ) অহুদৰ যুদ্ধ আৰু পিছৰ অন্যান্য যুদ্ধ বিলাকত অংশ গ্ৰহন কৰিছিল। হুদায়বিয়াৰ সন্ধিৰ সময়ত এখেত (ৰাঃ) উপস্থিত আছিল। হজৰত তালহা (ৰাঃ) সেই দহজন ব্যাক্তিৰ মাজত এজন আছিল, যি সকলক ৰছুলুল্লাহ (ছাঃ)য়ে তেখেত সকলৰ জীৱন কালতেই জান্নাত প্ৰাপ্তিৰ সুসংবাদ দিছিল। হজৰত তালহা (ৰাঃ) সেই আঠজন লোকৰ মাজত এজন যি সকলে সৰ্বপ্ৰথম ইছলাম গ্ৰহন কৰিছিল আৰু তেখেতে সেই পাচঁজনৰ এজন যি সকলে সৰ্বপ্ৰথম ইছলাম গ্ৰহন কৰিছিল আৰু এখেতে সেই পাচঁজনৰ এজন যি সকলে হজৰত আবু বক্কৰ (ৰাঃ)ৰ জৰিয়তে ইছলাম গ্ৰহন কৰিছিল। হজৰত তালহা (ৰাঃ) হজৰত (ৰাঃ)হজৰত উমৰ (ৰাঃ)ৰ প্ৰতিষ্ঠিত শ্বোৰা কমিটিৰ ছয়জন সদস্যৰ এজন আছিল। এখেত (ৰাঃ)সেই সকল বন্ধুৰ মাজত এজন আছিল, যি সকলৰ ওপৰত ৰছুলুল্লাহ (ছাঃ)য়ে মৃত্যুৰ সময়ত সন্তুষ্টিৰ প্ৰকাশ কৰিছিল।

এজিদে বিন ৰুমান বৰ্ণনা কৰিছে যে এবাৰ হজৰত উচমান আৰু হজৰত তালহা বিন উবায়দুল্লাহ দুয়ো হজৰত জাবেৰ বিন আউৱামৰ লগত ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল। তেতিয়া ৰছুল্লাহ (ছাঃ)য়ে তেখেত দুজনক ইছলামৰ খবৰ শুনাইছিল আৰু কোৰ-আন পাঠ কৰি শুনাইছিল আৰু ইছলামৰ অধিকাৰ সম্পৰ্কে জনাইছিল। আঁহজৰত (ছাঃ)য়ে এওঁলোক দুজনৰ সৈতে আল্লাহ তায়ালাৰ ফালৰ পৰা পাব পৰা মৰ্যাদাৰ প্ৰতিশ্ৰুতি দিছিল। তেতিয়া হজৰত উচমান আৰু হজৰত তালহা (ৰাঃ)য়ে ঈমান আনিছিল আৰু তেখেত (ছাঃ)ৰ সত্যতা ঘোষনা কৰিছিল। হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই বছৰাৰ বজাৰত উপস্থিত আছিলো। এনেতে এজন পুৰোহিত (নেতা)নিজৰ ছুমুৰাহ অৰ্থ্যাৎ ইহুদী সকলৰ উপসনালয়ত এয়া লোকক সুধি আছিল যে তোমালোকে বিচাৰি চোৱাচোন ইয়াত হৰামৰ বাসিন্দা কোনোবায় আছে নেকি ? তেতিয়া মই উত্তৰ দিছিলো যে মই আছো। পুৰোহিত জনে মোক সুধিছিল কিয় ! আহমদৰ আবিৰ্ভাৰ ঘটিছেনে ? তেতিয়া হজৰত তালহা (ৰাঃ)য়ে কৈছিল যে কোন আহমদ ? তেওঁ কৈছিল আব্দুল্লাহ বিন আব্দুল মুত্তালিবৰ পুত্ৰ। এয়াই হল সেই মাহ, যি মাহত তেওঁৰ প্ৰকাশ ঘটিব আৰু তেওঁৱেই হব শেষ নবী। তেওঁ যিখন ঠাইৰ পৰা প্ৰকাশিত হব তাৰ নাম হব হৰাম শ্বৰীফ আৰু তেওঁ খেজুৰ বাগান শিলাময় আৰু গুহা আৰু সেউজীয়া জমিনৰ ফালে হিজৰত কৰিব। তোমালোকে পালে তেওঁক এৰি নিদিবা। হজৰত তালহা (ৰাঃ)য়ে কৈছে - লোকজনে যিবোৰ কথা কৈছিল, সেয়া মোৰ হৃদয় জোকাৰি গৈছিল আৰু মই বেগেৰে মক্কলৈ বুলি যাত্ৰা কৰিছিলো আৰু মক্কা আহি পাইছিলো। মক্কাত আহি লোকক সুধিছিলো যে কোনো ধৰণৰ নতুন খবৰ আছে নেকি ? মক্কাৰ বাসিন্দা সকলে কৈছিল যে হয় ! মহম্মদ বিন আব্দুল্লাহ (আমিনে) নবুয়তৰ দাবী কৰিছে আৰু ইবনে আবি কোহাফা (হজৰত আবু বক্কৰ) তেওঁৰ আনুগত্য স্বীকাৰ কৰিছে। হজৰত তালহা (ৰাঃ)য়ে কৈছে যে - মই লগে লগে হজৰত আবু বক্কৰ ওচৰত আহি, সেই পুৰোহিতে কোৱা কথাবোৰ এওঁক শুনাইছিলো আৰু আমি দুয়ো গৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিলো। তাতেই হজৰত তালহা (ৰাঃ)য়ে ইছলাম গ্ৰহন কৰিছিল আৰু যিবোৰ কথা পুৰোহিত জনে কৈছিল সেয়া ৰছুলুল্লাহ (ছাঃ)ক জনাইছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে বৰ আনন্দিত হৈছিল।

হজৰত তালহা (ৰাঃ)য়ে ইছলাম গ্ৰহন কৰাৰ পিছত নওফিল বিন খুয়েলিদ বিন আদবিয়াই হজৰত তালহা আৰু হজৰত আবু বক্কৰ (ৰাঃ)ক ৰছিৰে বান্ধি থৈছিল। সেয়ে হজৰত তালহা (ৰাঃ) আৰু আবু বক্কৰ (ৰাঃ)ক দুই বন্ধু বুলি কৈছিল। নওফিল কুৰাইছ সকলৰ মাজত নিজৰ কঠোৰ আচৰণৰ বাবে জনাজাত আছিল। হজৰত তালহা (ৰাঃ)ৰ ভাই হজৰত উচমান বিন উবায়দুল্লাকও এওঁলোকৰ লগতে বান্ধি ৰাখিছিল কাৰণ যাতে তেওঁ আঁহজৰত (ছাঃ)ৰ ওচৰত যাব নোৱাৰে আৰু ইছলাম এৰি গুচি আহে। ইমাম বায়হাকিয়ে লিখিছে যে হুজুৰ (ছাঃ)য়ে এই ঘটনা মৰ্মে দোৱা কৰিছিল যে হে আল্লাহ ! আদবিয়া পুত্ৰৰ চয়তানীৰ পৰা তেওঁলোকক ৰক্ষা কৰা।

আব্দুল্লা বিন ছঈদে নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে যেতিয়া ৰছুল্লাহ (ছাঃ)য়ে মদিনাৰ এটা অঞ্চল খৰাৰ নামক বাটতেই ৰাতিপূৱা হজৰত তালহা বিন উবায়দুল্লাক লগ পাইছিল। হজৰত তালহা (ৰাঃ) তেতিয়া স্বাম দেশৰ এটা কাফেলাৰ লগত আহি আছিল। হজৰত তালহা (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)ক স্বামৰ কাপোৰ পিন্ধাই দিছিল আৰু ৰছুলুল্লাহ (ছাঃ)ক জনাইছিল যে মদিনাৰ বাসিন্দা সকলে বহু পৰলৈ অপেক্ষা কৰি আছে। তেতিয়া ৰছুলুল্লাহ (ছাঃ) দ্ৰুতবেগে আগবাঢ়িছিল আৰু হজৰত তালহা (ৰাঃ)য়ে মক্কালৈ গুচি আহিছিল। যেতিয়া এখেত (ৰাঃ)য়ে নিজৰ সকলো কাম সামৰি লৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰিয়ালক লগতলৈ মদিনালৈ গুচি গৈছিল।

হজৰত তালহা (ৰাঃ)ৰ কিছুমান ধন-মাল কোৰবাণী দিয়াৰ নিমিত্তে ৰছুলুল্লাহ (ছাঃ)য়ে  তেখেত (ছাঃ)ক ফিয়াজ (লাভবান) বুলি কৈছিল। গতিকে তেতিযাৰ পৰা হজৰত তালহা (ৰাঃ)ক ফিয়াজ নামেৰেও মাতিবলৈ লোৱা হৈছিল। মুছা বিন তালহা নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)অহুদৰ যুদ্ধৰ দিনাখন  হজৰত তালহাৰ নাম ৰাখিছিল তালহাতুল খায়েৰ। আকৌ তবুকৰ যুদ্ধ আৰু যিকুৰাইদৰ সংগ্ৰামৰ সময়ত ৰছুলুল্লাহ (ছাঃ)য়ে এখেত (ৰাঃ)ৰ নাম তালহাতুল ফিয়াজ ৰাখিছিল আৰু হুনাইনৰ যুদ্ধৰ সময়ত নাম দিছিল তালহাতুল জুদ ইয়াৰ অৰ্থও ফিয়াজি আৰু দানশীল।

ছায়েব বিন এজিদৰ পৰা বৰ্ণিত আছে যে ছায়েবে কৈছে মই ভ্ৰমণ আৰু কৰবাত অৱস্থান কৰা কালত হজৰত তালহাৰ লগত থাকিছিলো কিন্তু সাধাৰণতেই মই পিন্ধন, উৰণ, টকা, পইচা, খোৱা লোৱাত তালহাতকৈ বেছি খৰচী মই কাকো দেখা নাই।

হজৰত তালহা (ৰাঃ) অহুদৰ যুদ্ধৰ দিনা আঁহজৰত (ছাঃ)ৰ লগত অংশগ্ৰহন কৰিছিল। এখেত (ৰাঃ) সেই লোক সকলৰ মাজত আছিল, যি সকলে যুদ্ধ ক্ষেত্ৰত ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে ৰণ ভূমিত দৃঢ়তাৰে ৰণ চলাইছিল আৰু তেখেত (ছাঃ)ৰ পৰা মৰণত শৰণ দিয়াৰ বয়াত লৈছিল। মালিক বিন জহিৰে যেতিয়া ৰছুলুল্লাহ (ছাঃ)লৈ তীৰ নিক্ষেপ কৰিছিল তেতিয়া হজৰত তালহা (ৰাঃ)য়ে নিজৰ হাতৰ মাজত সেই তীৰ লাগিব দি ৰছুলুল্লাহ (ছাঃ)ৰ মুখমণ্ডল তীৰাঘাতৰ পৰা ৰক্ষা কৰিছিল। সেই তীৰ আহি হজৰত তালহা (ৰাঃ)ৰ হাতৰ সৰু আঙুলিত লাগিছিল, ফলত সেয়া অচল হৈ হৈছিল। অহুদৰ যুদ্ধ ময়দানত এজন মুশৰিকে হজৰত তালহা (ৰাঃ)ৰ মুৰত দুবাৰকৈ আঘাত হানিছিল। যাৰ ফলত যথেষ্ট পৰিমাণে তেজ বৈ গৈছিল।

উক্ত ঘটনাৰ বহল ব্যাখ্যা ছিৰাতুল হালবিয়াত এনেদৰে উল্লেখ আছে যে - কায়েছ বিন আবু হাজমাহ কৈছে যে মই অহুদৰ যুদ্ধৰ দিনা হজৰত তালহা বিন উবায়দুল্লাৰ হাতৰ অৱস্থা দেখিছিলো, যি ৰছুলুল্লাহ (ছাঃ)ক তীৰৰ আঘাতৰ পৰা বচাওঁতে ফুটা হৈ গৈছিল। আন এটা টোকাত আছে যে মূৰত বল্লমৰ আঘাত লাগিছিল আৰু ইমানেই ৰক্তক্ষৰণ হৈছিল যে হজৰত তালহা (ৰাঃ) অচেতন হৈ পৰিছিল। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে আহি তেখেতৰ ওপৰত পানী ছটিয়াই দিছিল আৰু আৰু তেখেতে চেতনা ঘুৰাই পাইছিল। সুস্থ হোৱাৰ পিছত তেখেত (ৰাঃ) সুধিছিল যে ৰছুলুল্লাহ (ছাঃ)ৰ অৱস্থা কেনে আছে ? হজৰত আবু বক্কৰ (ৰাঃ)য়ে উত্তৰত কৈছি তেখেত (ছাঃ) ভালেই আছে আৰু তেখেতেই মোক আপোনাৰ ওচৰলৈ পঠিয়াই দিছে। হজৰত তালহা (ৰাঃ)য়ে কৈছিল - “আলহামদু লিল্লাহি কুল্লু মুছিবাতুন বাদাহু জাৰআল” অৰ্থ্যাৎ সকলো প্ৰশংসা আল্লাহ তালায়াৰ বাবে, সকলো বিপদ আঁহজৰত (ছাঃ)ৰ বাদে অতি নগন্য।

হজৰত জাবিৰ বৰ্ণনা কৰিছে যে - ৰছুলুল্লাহ (ছাঃ)য়ে অহুদৰ যুদ্ধত দুখন কবচ পিন্ধিছিল। তেখেত (ছাঃ)য়ে ওখ ঠাই এখনত উঠিব বিচাৰিছিল।কিন্তু কবচ ওজন অধিক হোৱাৰ কাৰণে মুৰ আৰু মখমুণ্ডলত আঘাত প্ৰাপ্ত হৈ ৰক্তক্ষৰণ হোৱাত উঠিব পৰা নাছিল। তেখেত (ছাঃ) হজৰত তালহা (ৰাঃ) তলত বহুৱাই তাৰ ওপৰত ভৰি দি সেই ওখ ঠাইখনলৈ উঠি

গৈছিল। হজৰত জাবিৰ (ৰাঃ)য়ে কৈছে যে - মই ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনিছো যে হজৰত তালহা (ৰাঃ) নিজৰ বাবে জান্নাত পোৱাটো ওয়াজিব কৰি লৈছে।

আন এটা ৰোৱায়েতত আছে যে হজৰত তালহা (ৰাঃ)ৰ এখন ভৰি খোৰা আছিল, ফলত তেখেতে সঠিক ভাৱে খোজ দিব পৰা নাছিল। অহুদৰ যুদ্ধৰ দিনাখন যেতিয়া তেখেতে আঁহজৰত (ছাঃ)ক উঠাই লৈছিল তেতিয়া তেখতে বৰ কষ্টেৰে নিজৰ খোজ আৰু ভৰি ঠিক ৰাখিছিল যাতে এই লেঙেৰাপনৰ অসুনিধা আঁহজৰত (ছাঃ)ৰ কষ্ট বা অসুবিধা নহয়। ইয়াৰ পিছৰ পৰা তেখেত (ৰাঃ)ৰ এই লেঙেৰাপন দূৰ হৈ গৈছিল। আয়শা আৰু উম্মে ইছহাক, হজৰত তালহা (ৰাঃ)ৰ জীয়েক আছিল। এওঁলোক দুয়োজনীয়ে কৈছে যে অহুদৰ যুদ্ধত আমাৰ দেউতাকৰ শৰীৰৰ ২৪ স্থানত জখম হৈছিল। ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰ পাৰিৰ সন্মুখৰ দুটা দাতঁ ভাঙি গৈছিল। তেখেত (ছাঃ)য়ে মুখমণ্ডলত আঘাত পাইছিল। তেখেত (ছাঃ)য়েও অচেতন হৈ পৰিছিল। হজৰত তালহা (ৰাঃ)য়ে তেখেত (ছাঃ)ক উঠাই নিজৰ পিঠিৰ ওপৰত এনেদৰে পিছুৱাই কঢ়িয়াই নিছিল যে তেতিয়াও যদি কোনো মুশৰিকক লগ পালে হেতেঁন তেন্তে তাৰ লগত যুদ্ধ দিলে হেতেঁন। এনেদৰে পিছফালে ওলোটা খোজৰে তেখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক পিঠিত কঢ়িয়াই ঘাটিলৈ লৈ গৈছিল আৰু আওঁজাই বহুৱাইছিল। হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে উক্ত ঘটনাখিনি বিতং ভাৱে ব্যাখ্যা কৰোঁতে কৈছে যে - অলপ কেইজন চাহাব দৌৰি আহি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গোট খাইছিল। কাফিৰ সকলে সেই ঠাইত তীব্ৰ তাৰে আক্ৰমণ চলাইছিল, যত ৰছুলুল্লাহ (ছাঃ)য়ে থিয় দি আছিল। এজনৰ পিছত এজনকৈ চাহাবা হুজুৰ (ছাঃ)ৰ ৰক্ষণা-বেক্ষণ কৰোঁতে মৃত্যুবৰণ কৰিব লগা হৈছিল। একমাত্ৰ স্বমশেৰ জিনৰ বাদে সকলো তীৰ আন্দাজী সকলে টিলাৰ ওপৰত থিয় হৈ ৰছুলে কৰিম (ছাঃ)ৰ ফালে ধাৰাসাৰে তীৰ বৰ্ষন কৰিবলৈ লৈছিল। তেতিয়া হজৰত তালহা (ৰাঃ)য়ে দেখিছিল যে শত্ৰু সকলে কোনো তীৰ ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত নিক্ষেপ কৰি আছে। কথা বিষম দেখি এখেত (ৰাঃ)য়ে নিজৰ হাত ৰছুলে কৰিম (ছাঃ)ৰ মুখমণ্ডলৰ আগত পাতি দিছিল। তীৰৰ পিছত তীৰ লক্ষ্য স্থলত আহি পৰিছিল সেয়া হজৰত তালহা (ৰাঃ) ৰ হাতত আহি লাগিছিল। কিন্তু এই প্ৰানপণ কৰোঁতা বিশ্বাসী চাহাবীজনে নিজৰ হাতখন কোনো ধৰণৰ লৰচৰ কৰোৱা নাছিল। এনেদৰে তীৰৰ পিছত তীৰ আহি হজৰত তালহা (ৰাঃ)হাতত আঘাত হানি গৈছিল আৰু হজৰত তালহা (ৰাঃ)ৰ হাত জখমৰ বিষত অবশ হৈ পৰিছিল আৰু এখন হাত মাত্ৰ সক্ৰিয় আছিল। ইয়াৰ কেইবা বছৰ পিছত ইছলামৰ চতুৰ্থ খিলাফতৰ সময়ত যেতিয়া মুছলমান সকলৰ মাজত অন্তৰ কলহ আৰম্ভ হৈছিল তেতিয়া কোনোবা শত্ৰু এজনে তাচ্ছিল্য স্বৰে হজৰত তালহা (ৰাঃ)ক কৈছিল পংগু। তেতিয়া আন এজন চাহাবীয়ে তাৰ উত্তৰত কৈছিল- হয় ; পংগু নিশ্চয় কিন্তু কিমান যে মোবাৰক লেঙেৰা হয়। তোমালোকে জানা যে তালহাৰ (ৰাঃ)ৰ এই হাত ৰছুলে কৰিম (ছাঃ)ৰ মুখমণ্ডল তীৰ আঘাতৰ পৰা ৰক্ষা কৰোঁতে পংগু হৈ গৈছে। অহুদৰ যুদ্ধৰ পিছত কোনো এজন লোকে হজৰত তালহা (ৰাঃ)ক সুধিছিল যে - যেতিয়া শত্ৰু সকলৰ তীৰ আহি আপোনাৰ হাতত আঘাত হানিছিল, আপুনি দুখ পোৱা নাছিলনে? আৰু আপুনি মুখেৰে আহঃ,উহঃ কৰা নাছিলনে? ইয়াৰ উত্তৰত হজৰত তালহা (ৰাঃ)য়ে কৈছিল যে দুখ পাইছিলো, মুখেৰে উহঃ,আহঃ ওলাব বিচাৰিছিল কিন্তু মই আহঃ, উহঃ কৰা নাছিলো কাৰণ যাতে এনেকুৱা নহয় যে উহঃ, আহঃ কৰা সময়ত মোৰ হাত লৰচৰ হৈ যায় আৰু তীৰ আহি ৰছুলুল্লাহ (ছাঃ)ৰ মুখমণ্ডলত আঘাত হানি দিয়ে।

হামৰাল আছিদৰ যুদ্ধৰ সময়ত আঁহজৰত (ছাঃ)য়ে পিছে পিছে গৈ অৰস্থাত বাটতে হজৰত তালহা (ৰাঃ)ক লগ পাইছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত তালহা (ৰাঃ)ক সুধিছিল যে তোমাৰ অস্ত্ৰ কত আছে? হজৰত তালহা (ৰাঃ)য়ে কৈছে যে ওচৰতে আছে, এই বুলি তেখেত (ৰাঃ)য়ে তৎক্ষণাত গৈ নিজৰ অস্ত্ৰ লৈ আনিছিল, যদিও সেই সময়ত তেখেতৰ বুকুত লগা আঘাতৰ ক্ষত সজীৱ হৈয়ে আছিল।

তবুকৰ যুদ্ধৰ সময়ত আঁহজৰত (ছাঃ)য়ে খবৰ পাইছিল যে কিছুমান মুনাফিক লোকে ছোৱেলিম নামৰ ইহুদী এজনৰ ঘৰত গোট খাইছে, আৰু তেওঁলোকে বেলেগ মানুহক তবুকৰ যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত যাবলৈ বাধা দিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত তালহা (ৰাঃ)ক কিছুমান চাহাবাৰ সৈতে ছোৱেলিমৰ ঘৰত জুই লগাই দিবা। হজৰত তালহা (ৰাঃ)য়ে সেই আদেশ অনুসৰি ঘৰত জুই লগাই দিছিল আৰু জাহাক বিন খলিফা ঘৰৰ পিছফালেদি পলাই যাবলৈ লৈছিল, তেনেতে তাৰ ভৰি এখন ভাঙি গৈছিল আৰু বাকী কেইজন লোক পলাই যাবলৈ সক্ষম হৈছিল। হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে

মোৰ কাণ দুখনে ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনিছে যে তালহা আৰু জাবিৰ জান্নাতত দুয়ো মোৰ প্ৰতিবেশী হ'ব।

হজৰত ছঈদ বিন জায়েদে বৰ্ণনা কৰিছে যে মই ৯ জন লোকৰ বিষয়ে ইখিনি সাক্ষী দিব পাৰো যে যে তেওঁলোকে জান্নাতী হ'ব। মই ৰছুলুল্লাহ (ছাঃ)ৰ লগত হীৰা পাহাৰৰ ওপৰত আছিলো তেতিয়া পাহাৰখন লৰিবলৈ লৈছিল। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে এই হীৰা পাহাৰ স্থিৰ হোৱা, নিশ্চয় তোমাৰ ওপৰত এজন নবী অথবা সত্যবাদী নাইবা শ্বহীদৰ বাহিৰে আন কোনো নাই। মই সুধিছিলো ইয়া ৰছুলুল্লাহ (ছাঃ)সেই সকল লোক কোন হয় ? হজৰত ছঈদে শুনি কৈছে সেই সকল লোক হল - ৰছুলুল্লাহ (ছাঃ), আবু বক্কৰ, উমৰ, উচমান, আলি, তালহা, জাবিৰ, ছঈদ আৰু আব্দুৰ ৰহমান বিন আউফ। ইয়াৰ পিছত সুধা হৈছিল যে ১০ নম্বৰত কোন আছে ? তেতিয়া তেখেত (ৰাঃ)য়ে অলপ দেৰি থমকি ৰৈ কৈছিল যে সেইজন হ'ও মই অৰ্থ্যাৎ (হজৰত ছঈদ ৰাঃ)।

হজৰত ছঈদ বিন জাবিৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত আবু বক্কৰ, হজৰত উমৰ, হজৰত উচমান, হজৰত আালি, হজৰত জাবিৰ, হজৰত ছাআদ, হজৰত আব্দুৰ ৰহমান আৰু হজৰত ছঈদ বিন জায়েদ (ৰাঃ)ৰ স্থান এনেকুৱা যে ৰণভুমিত ৰছুলুল্লাহ (ছাঃ)ৰ আগে আগে যুদ্ধ কৰি গৈছিল আৰু নমাজত গৈ তেখেত (ছাঃ)ৰ পিছত থিয় হৈছিল। হজৰত জাবিৰ বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে - ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে - যিজনে কোনো শ্বহীদক চলা-ফুৰা কৰিব বিচাৰে, তেওঁ তালহা বিন উবায়দুল্লাক চাই লওঁক। হজৰত মুছা বিন তালহা আৰু হজৰত ঈছা বিন তালহা নিজৰ দেউতা হজৰত তালহা বিন উবায়দুল্লাহৰ পৰা শুনি বৰ্ণণা কৰিছে যে এজন আৰবিয়ানে আঁহুজুৰ (ছাঃ) ক সুধিছিল যে "মান কাজা নাহবা" উদাহৰণ কোন হয়, মানুহজনে প্ৰশ্নটো তিনিবাৰ সুধিছিল। তাৰ পিছত ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত তালহাৰ ফালে ইংগিত দি কৈছিল যে এওঁ হল "মান কাজা নাহবা" ৰ উদাহৰন।

আব্দুৰ ৰহমান বিন উচমান (ৰাঃ)য়ে কৈছে যে এবাৰ মই হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)ৰ লগত আহিছিলো, আমি এহৰাম বান্ধি আছিলো এনেতে কোনোবাই আমাৰ ওচৰত এটা চৰাই হাদিয়া স্বৰূপে লৈ আনিছিল। হজৰত তালহা (ৰাঃ)য়ে সেই চৰাইৰ মাংস খাইছিল আৰু কৈছিল আমিও এহৰাম অৱস্থাত বেলেগৰ চিকাৰ। নবী (ছাঃ)ৰ উপস্থিতিতেই সেই চৰাইৰ মাংস খাইছিল।

হজৰত উমৰ (ৰাঃ)ৰ মুক্তি প্ৰাপ্ত দাস আছলামৰ পৰা বৰ্ণিত আছে যে হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)ৰ শৰীৰত হজৰত উমৰ (ৰাঃ)য়ে দুখন কাপোৰ দেখিছিল, যি কাপোৰ দুখন লাল মাটিৰে ৰং দিয়া আছিল, যদিও সেয়া এহৰাম অৱস্থাত পিন্ধা আছিল। হজৰত উমৰ (ৰাঃ)য়ে তেওঁলোকক কৈছিল - হে চাহাবা সকলৰ জমাত, তোমালোকে হৈছা ইমাম। লোকে তোমালোকৰ একতেদা কৰিব। যদি কোনো অজ্ঞ লোকে তোমাৰ শৰীৰত এই দুখন কাপোৰ দেখিবলৈ পায় তেন্তে তেওঁ কব যে তালহা ৰংচঙীয়া কাপোৰ পিন্ধিছে, যদিওঁ সি এহৰাম অৱস্থাত আছে। কৈছিল যে এহৰাম বন্ধা সকলৰ বাবে আটাইতকৈ ভাল পোছাক হল বগা কাপোৰ। গতিকে লোকক এই বিষয়ে সন্দেহত নেপেলাবা।

জমিলৰ যুদ্ধত হজৰত তালহা (ৰাঃ)য়ে শ্বাহাদত বৰণ কৰিছিল। কায়েছ বিন আবু হাজমৰ পৰা বৰ্ণিত আছে যে মৰুৱান বিন হাকম জামলৰ যুদ্ধৰ দিনা হজৰত তালহা (ৰাঃ)ৰ আঠুত তীৰ মাৰিছিল আৰু আঠুৰ সিৰাৰ পৰা তেজ ওলাবলৈ আৰম্ভ কৰিছিল। যেতিয়া সেই ক্ষত স্থান হাতেৰে ধৰি ৰাখিছিল তেতিয়া তেজ ওলোৱা বন্ধ হৈছিল। হজৰত তালহা (ৰাঃ)য়ে কৈছিল আল্লাহৰ কছম ! এতিয়ালৈকে আমাৰ ওচৰলৈ সেই সকল লোকৰ তীৰ অহা নাই। আকৌ কৈছিল যে ক্ষতস্থান এৰি দিয়া কাৰণ এই তীৰ আল্লাহ তায়ালা পঠাইছে। হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ) জমালৰ যুদ্ধত জমাদিউচ্ছানিৰ ১০ তাৰিখত চন ৩৬ হিজৰিত শ্বাহাদত বৰণ কৰিছিল। শ্বাহাদতৰ সময়ত এখেত (ৰাঃ)ৰ বয়স হৈছিল ৬৪ বছৰ। আন এটা ৰোৱায়েত অনুসৰি এখেত (ৰাঃ)ৰ বয়স হৈছিল ৬২ বছৰ।

হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)ৰ ইৰাকত থকা মাটিত বছৰি চাৰি অথবা পাচঁ লাখ মূল্যৰ শস্য উৎপাদন হৈছিল। আনহাতে চৰা অঞ্চলত কম পক্ষে দহ হেজাৰ মূল্যৰ শস্যৰ উৎপাদন হৈছিল। বণু তায়েমৰ কোনো দুখীয়া লোক এনে নাছিল যে তেওঁলোকে তালহা (ৰাঃ)ৰ পৰিয়ালৰ কাম কৰি দিয়া নাছিল। এওঁলোকৰ বিধৱা সকলক বিবাহ কৰাইছিল। এওঁলোকৰ দৰিদ্ৰ বন্ধু সকলক সহায় কৰিছিল। ঋণগ্ৰস্থ সকলক ঋণমুক্ত কৰি দিছিল। আনহাতে প্ৰত্যেক বছৰেই এখেত (ৰাঃ)য়ে শস্যত আমদানি আহিলে হজৰত আয়েশাক দহ হেজাৰ দেৰহাম দি দিছিল। হজৰত মুৱাবিয়া মুছা বিন তালহাক সুধিছিল যে আবু

মহম্মদ অৰ্থ্যাৎ হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)য়ে কিমান সম্পত্তি এৰি থৈ গৈছে? মুছা বিন তালহা কৈছিল ২২ লাখ দেৰহাম আৰু দুই লাখ দিনাৰ। আগলৈ এখেত (ৰাঃ)ৰ বিষয়ে আৰু বৰ্ণনা চলিব। ইনশা আল্লাহ।

যেনেকৈ মই যোৱা জুমাৰ খোতবাত উল্লেখ কৰিছিলো যে যি মহামাৰী বৰ্তমানে বিয়পি পৰিছে কৰণা ভাইৰাছ নামেৰে, তাৰ পৰা সকলোৱে সতৰ্কতা অৱলম্বন কৰিব। মছজিদলৈ আহোতেওঁ সতৰ্ক থাকিব। সামান্য জ্বৰ, কাহঁ, আদি হলে এনেকুৱা ঠাইলৈ নেযাব যত মানুহৰ ভিৰ বা সমাগম আছে। নিজে জীয়াই থাকক আৰু আনকো জীয়াই ৰাখক। দোৱাৰ গভীৰ মনোযোগ দিয়ক। আল্লাহ তায়ালা পৃথিৱীখনক মুচিবতৰ পৰা ৰক্ষা কৰক। (আমিন)

## Assamese Khulasa Khutba Jumma Huzoor Anwar 13 March. 2020
**(BOOK POST PARINTED MATTER)**

**To** ---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**